**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-APR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত আজি প্ৰথমবাৰৰ বাবে একেটা পৰ্যায়তে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। এইবাৰৰ নিৰ্বাচনত ৫৯ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ৰাজ্যত এইবাৰ ২ কোটি ৫০ লাখ ৫৪ হাজাৰ ৪৬৩ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে। ইয়াৰে ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা। তদুপৰি ৬৩ হাজাৰ ৪২৩ গৰাকী ছাৰ্ভিচ ভোটদাতা আছে। ৰাজ্যখনৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ ভিতৰত চাৰি হাজাৰ ২১ টা কেন্দ্ৰ মহিলাই পৰিচালনা কৰিছে। এই সময়ছোৱাত শান্তি-শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবাশ কোম্পানী নিয়োগ কৰা হৈছে। দৰং জিলাৰ দলগাঁও সমষ্টিত সৰ্বাধিক আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আম্ৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথিপত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আৰু দিব্যাংগসকলৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। তদুপৰি ভোটকেন্দ্ৰত ম'বাইল ফোন ৰখাৰ ব্যৱস্থা কৰাৰ লগতে ভোটদাতাসকল বহিব পৰাকৈ বেঞ্চৰ ব্যৱস্থা কৰা হৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। এই নিৰ্বাচনত ১ লাখ ৫১ হাজাৰ ১৩২ গৰাকী ভোটগ্ৰহণ বিষয়া নিয়োগ কৰা হৈছে। ভোটগ্ৰহণৰ বাবে ৪১ হাজাৰ ৩২০ টা বেলট ইউনিট, ৪৩ হাজাৰ ৯৭৫ টা কণ্ট্ৰ'ল ইউনিট আৰু ৪৩ হাজাৰ ৯৯৭টা ভি ভি পেট মেচিন ব্যৱহাৰ কৰা হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে জিলাই জিলাই কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে জনসাধাৰণক নিৰ্ভয়ে ভোটগ্ৰহণ কেন্দ্ৰলৈ আহি তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

০০০০০০

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ বাবে একেটা পৰ্যায়ত আজি পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ আৰম্ভ হৈছে। আজি নিচেই পুৱাৰে পৰা ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ বাহিৰত ভোটদাতাৰ দীঘলীয়া শাৰি পৰিলক্ষিত হয়। **ধেমাজি** জিলাৰ ধেমাজি, চিচিবৰগাঁও আৰু জোনাই বিধানসভা সমষ্টিত পুৱা ৭ বজাৰ পৰা ভোটদান প্ৰক্ৰিয়া আৰম্ভ হৈছে। ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাই জনোৱা মতে ধেমাজিৰ পশ্চিম গোগামুখ এম ই স্কুলৰ ভোটগ্ৰহণ কেন্দ্ৰত পুৱাই ধেমাজিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ডাঃ ৰণোজ পেগুৱে ভোটদান কৰে।

**ভইচকাষ্ট (হৰেন্দ্ৰ নাথ শৰ্মা)**

**শিৱসাগৰৰ** ডিমৌ শিৱসাগৰ আৰু নাজিৰাৰ মুঠ ৭৪৮টা ভোটকেন্দ্ৰত পুৱাৰে পৰা শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ আৰম্ভ হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে।

**নগাঁৱতো** পুৱাৰে পৰা ভোটদান প্ৰক্ৰিয়া চলি আছে। প্ৰাক্তন মন্ত্ৰী, সাংসদ বিজেপিৰ প্ৰদ্যুৎ বৰদলৈয়ে বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰঘাটৰ মৰিকলং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰে।

০০০০০০

কেৰালাম আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীত আজি বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। কেৰালামৰ ১৪০টা আৰু পুডুচেৰীত ৩০টা সমষ্টিৰ বাবে একেটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হৈছে। পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈছে আৰু সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। নিৰ্বাচন আয়োগে এই ভোটগ্ৰহণ মুক্ত, নিকা আৰু শান্তিপূৰ্ণ কৰি তুলিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

কেৰালামৰ ১৪০টা সমষ্টিৰ বাবে ৮৮৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৰাজ্যখনৰ ২ কোটি ৭১ লাখ ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ৰাজ্যখনত ৩০ হাজাৰ ৩৯৫টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ২ হেজাৰ ৪০টা স্পৰ্শকাতৰ হিচাপে চিহ্নিত হৈছে। নিৰ্বাচনৰ বাবে ৰাজ্যখনত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে আৰু ৭৬ হাজাৰৰো অধিক নিৰাপত্তা কৰ্মী নিয়োগ কৰা হৈছে। ৰাজ্যখনত আজি ভোটগ্ৰহণৰ বাবে ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰা হৈছে।

পুডুচেৰীৰ ৩০টা বিধানসভা সমষ্টিত ২৯৪ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৯ লাখ ৫০ হাজাৰ ৬৩৯ গৰাকী ভোটদাতাই কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ এহেজাৰ ৯৯টা ভোটকেন্দ্ৰত ভোটদানৰ সুযোগ লাভ কৰিছে। ভোটদাতাসকলৰ ভিতৰত ২৪ হাজাৰ ৯১৯ গৰাকীয়ে প্ৰথমবাৰৰ বাবে ভোটদানৰ সুযোগ লাভ কৰিছে। ভোটকেন্দ্ৰসমূহৰ ২০৯টা স্পৰ্শকাতৰ আৰু ৫টা জটিল বুলি চিনাক্ত কৰা হৈছে। ৩০টা ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা, ১৫টা যুৱ প্ৰজন্মৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা আৰু দুটা বিশেষভাৱে সক্ষমভাৱে লোকে পৰিচালনা কৰিছে। কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ সংস্কৃতি আৰু ঐতিহ্য প্ৰতিফলিত কৰিব পৰাকৈও ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। পুডুচেৰীত মাইক্ৰ' অবজাৰ্ভাৰ আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে।

ইপিনে তামিলনাডুত একেটা পৰ্যায়ত হ'বলগীয়া আৰু পশ্চিমবংগত প্ৰথম পৰ্যায়ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। পশ্চিমবংগত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰো আজি অন্তিম দিন। ৪খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**